# 2026

## ASSAMESE

( Major )

Paper : ASS0600304

( ব্যাকৰণ আৰু অসমীয়া ব্যাকৰণ )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) কোনে "ব্যাকৰণ ভাষাৰ বিশ্লেষণ বা ভাঙ্গনি" বুলি মন্তব্য কৰিছিল?

(খ) ১৮৫৯ চনত হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা ব্যাকৰণখনৰ নাম কি?

(গ) 'ধ্বনিতত্ত্ব'ৰ ইংৰাজী প্ৰতিশব্দ লিখা।

(ঘ) অসমীয়া ভাষাৰ বিশিষ্ট স্পৰ্শ ব্যঞ্জনধ্বনিৰ সংখ্যা কেইটা?

(ঙ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থযুক্ত গোটটোৰ নাম কি?

(চ) অসমীয়া ভাষাৰ এটা বদ্ধ প্ৰাকৃতিৰ উদাহৰণ দিয়া।

(ছ) অসমীয়া ভাষাৰ এটা যৌগিক বাক্যৰ উদাহৰণ দাঙি ধৰা।

(জ) ৰূপান্তৰ উৎপাদক ব্যাকৰণ (TG Grammar)ৰ জন্মদাতা কোন?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) উইলিয়াম ৰবিন্সন চাহাবে অসমীয়া ভাষাৰ বিষয়ে ইংৰাজীত লিখা ব্যাকৰণখনৰ নাম কি? ব্যাকৰণখন কোন চনত প্ৰকাশ হৈছিল?

(খ) 'শব্দানুশাসনম্' নামৰ ব্যাকৰণখনৰ ৰচক কোন? এই ব্যাকৰণখন কি নামেৰে অধিক পৰিচিত?

(গ) ডায়'নিছিয়াছ থ্ৰাক্সে (Dionysius Thrax) কি ভাষাত আৰু কোন সময়ত ব্যাকৰণ ৰচনা কৰিছিল?

(ঘ) অসমীয়া ভাষাৰ উচ্চ সম্মুখ (high front) আৰু উচ্চ-মূলীয় (high back) স্বৰধ্বনি দুটা লিখা।

(ঙ) অসমীয়া ভাষাৰ অৰ্ধস্বৰ দুটা কি কি?

(চ) অসমীয়া ভাষাৰ দুটা স্বৰসন্ধিৰ উদাহৰণ দিয়া।





(ছ) অসমীয়া ভাষাৰ দুটা সংযুক্ত ধাতুৰ উদাহৰণ দাঙি ধৰা।

(জ) শব্দসাধনৰ সৰ্গক কি বোলে? এটা উদাহৰণ দিয়া।

(ঝ) পদৰ যোগ্যতাক কি দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি?

(ঞ) অসমীয়া ভাষাৰ দুটা খণ্ডবাক্যৰ উদাহৰণ দাঙি ধৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) পৰম্পৰাগত ব্যাকৰণ

(খ) ব্যাকৰণৰ উপাদান

(গ) ধ্বনি আৰু বিশিষ্ট ধ্বনি

(ঘ) অসমীয়া ভাষাৰ সন্ধি

(ঙ) অসমীয়া ভাষাৰ সৰ্গ

(চ) অসমীয়া ভাষাৰ ধাতুৰূপ

(ছ) নিকটস্থ অংগ বিচাৰ

(জ) অসমীয়া বাক্যতত্ত্বত পদৰ সংগতি

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ কৰা : ১০×২=২০

(ক) ব্যাকৰণৰ এটা গ্ৰহণযোগ্য সংজ্ঞা দাঙি ধৰি অসমীয়া ব্যাকৰণৰ ইতিহাস চমুকৈ বৰ্ণনা কৰা।

(খ) বিভাজ্য আৰু অবিভাজ্য ধ্বনি বুলিলে কি বুজা? অসমীয়া ভাষাৰ অবিভাজ্য ধ্বনিৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(গ) প্ৰত্যয় আৰু বিভক্তিৰ এটি তুলনা দাঙি ধৰি অসমীয়া ভাষাৰ কাৰকবাচক বিভক্তিৰ বিষয়ে বহলাই আলোচনা কৰা।

(ঘ) ব্যাকৰণগত বিষয় বুলিলে কি বুজা? অসমীয়া ভাষাৰ লিংগ ব্যাকৰণগত বিষয় হয় নে নহয়, বিচাৰ কৰা।

(ঙ) বাক্যতত্ত্ব (syntax) কি? অসমীয়া ভাষাৰ বাক্যতত্ত্ব সম্পৰ্কে বিতংকৈ আলোচনা কৰা।

★★★